'লা' হ'ল এবিধ বিশেষ ধৰণৰ পতঙ্গৰ বিশেষকৈ স্ত্রীপতঙ্গৰ গাৰ পৰা ওলোৱা এবিধ আঠাজাতীয় নি:সৰণ অর্থাৎ Resinous Exudation। এই পতঙ্গবিধক কোৱা হয় লেচিফাৰ লাকা"। এই পতঙ্গ বিধে কিছুমান গছৰ কোমল অংশৰ পৰা ৰস শুহি খাই জীয়াই থাকে। এই গছবোৰ হ'ল কুসুম, বগৰী, পলাশ, ৰহৰ মাহ আদি। লায়েই হৈছে প্রাণী দেহৰ পৰা ওলোৱা একমাত্র ৰেজীন। লাত প্রায় ৬৮% ৰেজীন, ৬% মম, ১-২% ৰং থাকে।

ভাৰত, বিহাৰ, ঝাৰখণ্ড, পশ্চিমবংগ, মধ্যপ্রদেশ, ছটিছগড়, পূৱ মহাৰাষ্ট্র আৰু উৰিষ্যাৰ কিছু অংশত প্রাকৃতিক ভাৱে লা পোৱা যায়। আমাৰ উত্তৰ পূৰ্ব্বাঞ্চলৰো কিছুঅংশত লা পোৱা যায়।

লাৰ দুটা জাত আছে – এটাক কোৱা হয় 'কুচুমী' আৰু আনটো হ'ল 'ৰংগিনী'। কুচুমী জাত বোৰে ছমাহত ইহঁতৰ জীৱন চক্র সম্পূর্ণ কৰে আৰু ৰংগিনী জাতটোৱে নির্দ্দিষ্ট সময়ত জীৱন চক্র সম্পুর্ণ নকৰি ইয়াৰ অলপ ইফাল সিফাল কৰে। ইহঁতে কুচুমী জাতৰ পতঙ্গবোৰে বেয়া পোৱা গছবোৰহে বেছি পচন্দ কৰে।

কুচুমী জাত বছৰত দুবাৰ চপাব পাৰি – জুন-জুলাই আৰু জানুৱাৰী-ফেব্রুৱাৰী। আনহাতে ৰংগিনী জাত মে-জুন আৰু অক্টোবৰ-নৱেম্বৰ মাহত চপাব পাৰি। লা পতঙ্গ বৰ সুক্ষ্ম প্রাণী। মতা পলুবোৰ ৰঙা বৰণৰ আৰু দীঘলে ১.২ – ১.৫ মি.মি. মান হয়। সিহঁতৰ সৰু সৰু চকু আৰু এন্টিনা থাকে। মাইকীবোৰ নাচপতি আকাৰৰ হয় আৰু দীঘলে ৪-৫ মি.মি. মান হয়। জীৱন চক্র কাল হ'ল ছমাহ। প্রথমে কণী পাৰে, কণীৰ পৰা পলু, তাৰ পিচত লেটা আৰু একেবাৰে শেষত প্রাপ্তবয়স্ক পতঙ্গ হয়।

এজনী মাইকী লা পতঙ্গই ২০০-৫০০ টা মান কণী সৃষ্টি কৰে। কনীবোৰ মাকৰ পেটতে সম্পুর্ণ ৰূপে বিকশিত হয়। কণীখিনি পৰাৰ কিছুসময়ৰ পিছতে কণী ফুটি ৰঙচুৱা পলুবোৰ বগাই ওলাই আহে।

এইবোৰ পাঁচ সপ্তাহ মান একেলগে থুপ বান্ধি থাকে আৰু সুবিধাজনক ঠাই পালে স্থায়ীভাৱে থাকিবলৈ ধৰে। এই দৰে প্রতিবর্গ ইঞ্চি গছৰ গা গছ বা ঠাল ঠেঙুলীত ২০০-৩০০ পতঙ্গই খিতাপি লৈ।

স্থায়ীভাৱে খিতাপি লোৱাৰ এদিন বা দুদিনৰ পিছৰ পৰাই পতঙ্গবোৰে প্রথমে মম জাতীয় কিছুমান নি:সৰণ উলিয়ায় আৰু পাছলৈ ৰেজিন জাতীয় নি:সৰণ উলিয়ায়। পলুবোৰে প্রায় তিনিবাৰকৈ মোট সলায় আৰু তাৰ পিছত প্রাপ্তবয়স্ক পতঙ্গলৈ ৰূপান্তৰ হয়। আঠ সপ্তাহ মানত মতা আৰু মাইকী পতঙ্গবোৰে প্রাপ্তবয়স্কতা অর্জন কৰে যদিও মতা পতঙ্গবোৰৰহে পাখি গজে।

মাইকীবোৰ মতাতকৈ অলপ ডাঙৰ আৰু ঘূৰণীয়া আকৃতিৰ হয় আৰু এইবোৰে গছজোপাতে থামোচ মাৰি ধৰি থাকে। সাধাৰণতে লা জংঘলৰ পৰা সংগ্রহ কৰা হয় কিন্তু উন্নত তথা বিজ্ঞান সন্মত পদ্ধতি অৱলম্বন কৰি লাৰ খেতি কৰিব পাৰি। *Flemingia semialata* নামৰ এবিধ গছৰ উন্নত কৃষি পদ্ধতি অৱলম্বন কৰি তাত লা পতঙ্গ মেলি দি অর্থনৈতিক ভাৱে লাভৱান হোৱাকৈ লাৰ খেতি কৰিব পাৰি। এই পদ্ধতিৰে প্রতি হেক্টৰত প্রায় ৮ হাজাৰ মান গছ পুলি লগাব পাৰি। *F. semialata* গছ বিধ আমাৰ মাথিয়তি গছৰ নিচিনা, প্রায় তিনি মিটাৰ ওখ হয়। বীজৰ পৰা এই উদ্ভিদৰ খেতি কৰিব পাৰি। শাৰী-শাৰীকৈ এই উদ্ভিদৰ পুলিবোৰ লগাব পাৰি। দুশাৰীৰ মাজৰ দুৰত্ব হ'ল ০.৭৫ মিটাৰ আৰু দুটা পুলিৰ মাজৰ দুৰত্ব হ'ল ১ মিটাৰ।

প্রাকৃতিক পৰিৱেশত পতঙ্গবোৰে নিজে নিজে এজোপা গছৰ পৰা আন এজোপা গছক আক্রমণ কৰে। কিন্তু উন্নত পদ্ধতিৰে কৰা কৃষি কার্য্যত লা লাগি থকা গছৰ ঠাল-ঠেঙুলী বোৰ সৰু সৰুকৈ কাটি নেটৰ মোনাত ভৰাই গছৰ তলৰ অংশত ভালদৰে বান্ধি দিব লাগে। এনে কৰিলে পলু পোকবোৰ লাহে লাহে নেটৰ মোনাৰ পৰা ওলাই আহি গছজোপা আক্রমণ কৰে আৰু গছৰ ৰস শুহি ইয়াতে থিতাপি লয়। লাৰ ব্যাৱহাৰ বহুল। প্রাকৃতিক খাদ্যৰ সংৰক্ষক আৰু প্রসাধন উদ্যোগত লাৰ প্রয়োগ ব্যাপক। লাৰ পৰা তৈয়াৰ ৰঙৰ চাহিদাও যথেষ্ট আছে। বৈদ্যুতিক উদ্যোগত ইয়াক বিদ্যুতৰ কুপৰিবাহী লেপন হিচাপে তাঁৰ (wire), grinding wheel আদিত ব্যৱহাৰ কৰা হয়। কিছুমান ঔষধৰ কেপচুল বা টেবলেটৰ বাহিৰৰ আৱৰণ টোত লাৰ ব্যৱহাৰ কৰা হয়। খাদ্য সংৰক্ষণ, চকলেট, chewing gum আদিত লা ব্যৱহাৰ কৰা হয়।

লাৰ ব্যৱহাৰ ইমানেই পুৰণি যে ইয়াৰ প্রয়োগ সম্পর্কে মহাভাৰততো উল্লেখ আছে। পঞ্চপাণ্ডৱক মাৰিবলৈ কৌৰৱে যি জতুগৃহ সজাইছিল সেইয়া লাৰে বনোৱা বুলি উল্লেখ আছে।

লাৰ খেতি কৰি অর্থনৈতিক ভাৱে লাভান্বিত হোৱাৰ সম্পুর্ণ সুযোগ আছে। ভাৰততত এজোপা কুচুম গছৰ পৰা ৬-১০ কেজি আৰু বগৰী গছৰ পৰা ১.৫-৬ কেজি আৰু পলাশ গছৰ পৰা ১-৪ কেজি লা প্রতি ছমাহত আহৰণ কৰিব পাৰি। যদি উন্নত পদ্ধতিৰে খেতি কৰা হয়, প্রতি হেক্টৰ মাটিত প্রতি বছৰে এজন কৃষকে প্রায় পাৰে।

উপলব্ধিৰ *Experiment*

নিৰেন দাস
গৱেষণা সহায়ক

জীৱনটোক আগুৱাই নিবৰ কাৰণে সদায় আগফালে দৃষ্টি ৰাখিব লাগিবই যদিওঁ কেতিয়াবা কেতিয়াবা প্রয়োজন হয় নিজকে নিজৰ দৃষ্টিত উপলব্ধি কৰাৰ। ইয়াৰ কাৰণে প্রয়োজন হয় পিছফালে ঘূৰি এৰি অহা জীৱনটোৰ পাতবোৰ লুটিয়াই আশা-নিৰাশা, হাহি-কান্দোন, ইচ্ছা-অনিচ্ছা, পোৱা-নোপোৱাৰ সমষ্টিটোক জুকিয়াই উপলব্ধি কৰাৰ। এৰি অহা জীৱনৰ এই সমষ্টিটোক উপলব্ধি কৰি হেনো ভুলবোৰ শুধৰাব পাৰি আৰু জীৱনটোক সুন্দৰকৈ আগবঢ়াই নিব পাৰি। ই হেনো ভাল মানুহৰ লক্ষণ।

মোৰ নিচিনা একো কৰিব নোৱাৰা মানুহেও উপলব্ধি কৰিব পাৰে নে নোৱাৰে আৰু যদি পাৰে কি ধৰণে পাৰে তাকে কৰিবৰ কাৰণে Experiment এটাত নামি পৰিলো। এৰি অহা জীৱনৰ গুৰুত্বপূর্ণ সময়বোৰক যদি একোটা ষ্টেচন বুলি ধৰি লওঁ আৰু জীৱনটোক একোখন ৰেল বুলি ধৰিলে বুজিবলৈ সহজ হব যেন লাগিছে। জীৱন নামৰ ৰেলখনে ৪০ টা বছৰৰ ষ্টেচন পাৰ হৈ সেই ষ্টেচনবোৰত পোৱা মানুহৰ সুখ-দুখ,আশা-নিৰাশা, হাহি-কান্দোন, ইচ্ছা-অনিচ্ছা, পোৱা-নোপোৱাৰ ৰং বোৰ সানি আজি ২০১৫ চনৰ ষ্টেচনটোত উপস্থিত হৈছেহি। মই এতিয়া বর্তমানৰ ষ্টেচনটোত নামি এৰি অহা ষ্টেচনবোৰৰ তথ্যবোৰ সোঁৱৰাই মনৰ Software টোত সুমুৱাই উপলব্ধি কৰিব লাগিব। বৰ টান যেন লাগিছে, তথাপিও এইখিনি কৰি যদি ভাল মানুহ হ'ব পাৰি চেষ্টা এটা কৰোঁচোন।

পৰীক্ষা নং ১ :- চকুমুদি মনটোক ঠেলি দিলোঁ বহুদূৰ পিছলৈ আৰু এৰি অহা জীৱনৰ সময়ৰ ষ্টেচনবোৰৰ তথ্য বোৰ মনৰ Software টোত সুমুৱাই নিজক আৱৰি ৰখা আৱৰণটোক টোকৰ মাৰি

(Click কৰি) অপেক্ষা কৰিলোঁ ফলাফলৰ কাৰণে। মনৰ আকাশত কোনো ধৰণৰ ফলাফলৰ প্রতিবিম্ব নেদেখি হতবাক হ'লো।

পুনৰ পৰীক্ষা কৰিলোঁ এৰি অহা জীৱনৰ সময়ৰ ষ্টেচনবোৰৰ তথ্য ঠিকেইটো আছে। বহুত মনোযোগেৰে উপলব্ধি কৰিবলৈ চেষ্টা কৰিলো কেনেধৰণৰ বাতৰি (Message) নিজৰ আৱৰণটোৱে মনটোলৈ দিব চেষ্টা কৰিছে। বহুত চেষ্টা কৰিও বিফল হ'লো। তথাপি নিজৰ আৱৰণটোত মৰা টোকৰটোৰ শব্দৰ পৰাই বহুত কষ্ট কৰি উপলব্ধি কৰিবলৈ চেষ্টা কৰিলোঁ চৌপাশৰ পৰিৱেশ, জীৱ-জন্তু,মানুহৰ অনুভূতিৰ প্রতিবিম্ব আৰু নিজৰ উপলব্ধিৰ মাজত যোগাযোগ (Link) কৰিব পৰা নাই।

পৰীক্ষা নং ২ :- এইবাৰ নতুন উদ্যমেৰে এৰি অহা জীৱনত সময়ৰ গুৰুত্বপূর্ণ ষ্টেচনবোৰত লগ পোৱা মানুহৰ সুখ-দুখৰ প্রতিবিম্ব মোৰ মনটোত কি ধৰণে পৰিছিল তাৰ তথ্যও সম্পূর্ণৰূপে মনৰ Software টোত দিবলৈ চেষ্টা কৰিলোঁ। তথ্যবোৰ দিয়াৰ আগতে মনটোক Restart কৰি Software টো যাতে অধিক কর্মক্ষম হয় তাৰ কাৰণে সকলো ধৰণৰ চেষ্টা কৰিলোঁ। উপলব্ধি আৰু মনৰ Link টো পুনৰ পৰীক্ষা কৰি এইবাৰ নিজৰ আৱৰণটোক টোকৰ মাৰি অধিক আগ্রহেৰে ফলাফলৰ কাৰণে অপেক্ষা কৰিলোঁ ।ফলাফলে এইবাৰ সচাঁকৈয়ে হতভম্ব কৰিলে।মনৰ মনিটৰত display হ'ল unable to link .... Invalid source. সর্বনাশ! এৰি অহা সময়ৰ কোনোবা এটা ষ্টেচনত মনটো থাকি শৰীৰটো গুচি আহিল নেকি? Size, shape নথকা সময়বোৰক সুন্দৰকৈ চোলা-কাপোৰ পিন্ধাই আমিবোৰে যে বিহু বুলি ৬ মাহ আনন্দ-ফুর্তি কৰোঁ, মনৰ Software টোৱে বুজি পোৱা নাই নেকি? খং উঠিল, এৰি অহা সময়ৰ ষ্টেচনবোৰত আমাৰ মনটোৱে যে আকাশ, তৰা, সূর্য, চন্দ্র আদিবোৰক হত্যা বা অপকাৰ কৰাৰ বাহিৰে সকলো ধৰণৰ চিন্তা কৰি পেলালোঁ, ই বুজি পোৱা নাই নেকি? মোৰ সঁচাকৈয়ে বৰ ভয় লাগিল। নিজৰ আৱৰণটোৱে মনটোলৈ যদি কোনোধৰণৰ বতৰা প্রেৰণ নকৰে মই উপলব্ধি কৰিম কেনেকৈ। আৰু যদি উপলব্ধি কৰিব নোৱাৰো ভাল মানুহৰ দৰে জীৱনটোক সজাই আগুৱাই যাম কেনেকৈ? এৰি অহা জীৱনৰ সময়ৰ ষ্টেচনবোৰৰ কোনটোত মনটো থাকি গ'ল মই কেনেকৈ জানিম।

জানিলোৱেই যেনিবা উদ্ধাৰ কৰি লৈ আনিম কেনেকৈ? কিবা এক ধৰণৰ বিষাদৰ আৱৰণে আগুৰি ধৰিলৱেও, চিন্তা কৰিলো পৰীক্ষা নং ৩ পুনৰ উপলব্ধিৰ কাৰণেই কৰিম নে, হেৰুৱা মনটোক উদ্ধাৰ কৰিবৰ কাৰণে?

Continued to next issue...

লতা বাঁহ

দেৱজিত নেওঁগ
গৱেষণা সহায়ক

লতা বাঁহ (মেল'কেলামাচ ক'মপেক্টিফ্লৰা) বেকাবেকী কাণ্ড যুক্ত এবিধ লতাজাতীয় সৌন্দর্যবর্ধক বাঁহ। মূল কাণ্ডৰ বৰণ পাতল চাই বৰণীয়া, কাণ্ড মজবুত, নিফুক, খহতা আৰু গাঁঠি উখহা হয়। সেই বাবে অন্য গছত বগাই যোৱাত সুবিধা হয়। প্রধান কাণ্ডৰ দৈর্ঘ্য ১০ – ৩০ মিটাৰ ব্যাসার্ধ ১.৫ – ২.৫ চেন্টিমিটাৰ আৰু পাব বোৰ ৩০-৬০ চেন্টিমিটাৰ দীঘল হোৱা দেখা যায়। অসমৰ কাছাৰ জিলা (ভূবন পাহাৰ), ডিগবৈ সংৰক্ষিত বনাঞ্চলত এই প্রজাতিৰ বাঁহ কম পৰিমাণে পোৱা যায়।

অবান্তৰ

নয়নমণি শইকীয়া
জে. আৰ. এফ

কি হ'ল! আজি দেখোন এই নেমুজোপা মৰহি আছে, যোৱাকলিটো মই নিজে নেমু চিঙিছিলো; কি হ'ল আকৌ বুলি কৈ মাকন খুৰীয়ে একেবাৰে বোৱাৰীয়েক ৰাখীক চিয়ঁৰি উঠিল। বেচেৰী ৰাখী- বিয়া হৈ অহা মাত্ৰ তিনিমাহ হৈছেহে, ঘৰখনৰ একো উৱাদিহেই পোৱা নাই। বৰ অমায়িক আৰু নিৰ্জু প্ৰকৃতিৰ ছোৱালী তাই। শাহুৱেকৰ চিয়ঁৰ শুনি 'কি হ'ল মাঁ' বুলি একেবাৰে উধাতু খাই দৌৰি পিছফাল পালেহি, হাতত ভাত বনাই থকা হেঁতাখন। অ' কেনেকে হ'ল জানো পাই মা, মইও আচৰিত হৈছো। দুইজনীয়ে ভাবি ভাবি ওৰ নাপালে। খুৰিদেউৰ মুখখন একেবাৰে সেমেকী গ'ল। বুজিছা ৰাখী এইটো খুব বেয়া লক্ষণ। মোৰ কিবা মনটো গোন্ধাইছে দেখোন। ৰাখীয়েনো কি ক'ব, কি নক'ব ভাবি মূৰ জোকাৰি থাকিল।

হ'ব হ'ব ৰাখী, যোৱা ভাতটো বাঢ়ি দিয়াগৈ, মোৰ পলমেই হ'ল আজি।

খুৰীদেউ যোৱাৰ পাছত ৰাখীয়ে কাম বন কৰি আজৰি হৈ বিচনাতে পৰি কথাটো ভাবি থাকিল। কালিনো কোন আহিছিল, কোনোবাই কিবা কৰিলে নেকি বাৰু? নহ'লেনো শাহুৱেকে কিয় ক'লে যে তেওঁৰ মনটো গোন্ধাইছে বুলি। হ'ব, আজি এওঁ কামৰ পৰা আহিলে কথাটো ক'ব লাগিব। তাইৰ এবাৰ পেহীয়েক নিভাই কোৱা মনত আছে, কোনোবাই বোলে কাৰোবাৰ বেয়া কৰিবলৈ কিবা-কিবি বাৰীত পুতি থয়, বিৰা মেলে। ঘৰৰ কিবা অমংগল হ'বলৈ হিংসাতে বোলে তেনেকুৱা কৰে। ক'তনো এনে বেয়া কামৰ উৎপত্তি হ'ল। কিমান দূৰ বা সঁচা/মিছা এইবোৰ। মানুহবোৰৰ যে আৰু কাম নাই। সঁচাকৈ এনে মানৰ এই পৃথিৱীত আছেনে? কি হ'ব বাৰু যদি পাতিছে নিতাই পুখুৰীত।

সঁচা হয়। আজি আকৌ ৰাখীৰ গিৰীয়েক ৰাজীৱ পুৱাতে অফিচ গ'ল। কিবা বোলে সজাগতা সভা সেয়ে পুৱা সাত বজাতে অফিচৰ গাড়ীৰে লৈ গ'লহি। ৰাজীৱ এজন জনস্বাস্থ্য বিভাগৰ কৰ্মচাৰী। ৰাখীৰ এতিয়াও ভাবিলে লাজ লাগে যে প্ৰথম দিনা কেনেকৈ ৰাজীৱে তাইক বিবাহৰ প্ৰস্তাৱ দিছিল। তাই আছিল পৰিয়ালৰ কনিষ্ঠ জীয়ৰী। তাইৰ ওপৰত চাৰিজন ককায়েক। চাৰিজন ককায়েকৰ উপস্থিতিত তাই প্ৰেম কৰাটো অলিক কল্পনা। ৰাজীৱৰ প্ৰস্তাৱত তাই একো উত্তৰ দিব পৰা নাছিল।

চাওঁতে-চাওঁতে তাইৰ বিয়া হোৱা প্ৰায় তিনিমাহেই হ'ল। এতিয়াও তাই ঘৰখনৰ লগত সম্পূৰ্ণ মিলিব পৰা হোৱাই নাই। ঘৰখনৰ বহুত কথা আৰু কাৰ্য্য তাইৰ বাবে এতিয়াও অচিনাকী। ৰাতিপুৱা তাই শাহুৱেকৰ আচৰণ দেখি অলপ সময়ৰ বাবে স্তম্ভিত হৈ গৈছিল। তাইৰ মনত এটাই চিন্তা হৈছিল কিযানিবা শাহুৱেকে তাইক গালি দিয়ে বা কিবা কয়। তাইক বিয়াৰ আগতে মাকে কৈছিল, "মানু তই গিৰিয়েৰৰ ঘৰত গৈ সকলোকে আপোন কৰি লবি। ডাঙৰে কিবা ক'লে মনে মনে থাকিবি, মুখত নামাতিবি, খঙ উথিলেও ধৈর্য্য ধৰিবি। যিটো নাজান শাহুৱেৰৰ পৰা শিকি ল'বি। তোৰ গিৰিয়েৰৰ আৰু ঘৰখনৰ উন্নতি বহুক্ষেত্ৰত তোৰ ওপৰত নিৰ্ভৰ কৰিব। চাবি আকৌ যাতে আমি তোৰ বিষয়ে একো বেয়া শুনিব নাপাওঁ"।

আজি ৰাতিপুৱা হোৱা ঘটনাটোৱে তাইৰ মাকে কোৱা কথাবোৰ মনত পেলাই দিলে। তাইৰ মনটো উগুল-থুগুল লাগি গৈছিল গধূলিলৈকে। ৰাজীৱ অফিচৰ পৰা ঘূৰি অহাৰ পাছত কথাটো উলিয়াম বুলি মাকন খুৰীয়ে ৰাখীক ক'লে। বুজিছা ৰাখী অহা মঙলবাৰে ৰাজীৱক অফিচ চুটি লৈ হলেও শিলিখাজানৰ ডিম্বেশ্বৰ বেজৰ ঘৰলৈ যাবলৈ ক'ম। মোৰ যে আজি গোটেই দিনটো স্কুলত মনেই নবহিল।

লগৰ ডেকানীক কলো। তেওঁৰেই মোক উপায়টো দিছে। জানা ৰাখী ডেকানীৰ কেইবছৰমান খুব গা বিষ হৈ আছিল। কোনোবাই বোলে তেওঁক যাদুমন্ত্ৰ কৰিছিল। কিমান ডাক্টৰক দেখুৱালে, নাই ভালেই নহ'ল। তাৰ পাছত তেওঁক কোনোবাই উপদেশ দিলে শিলিখাজানৰ ডিম্বেশ্বৰ বেজৰ কথা। তেওঁৰ ঔষধ লৈ ডেকানী নিৰাময় হ'ল। মুঠতে ৰাখী তুমিও কবাচোন ইয়াক তালৈ যাবলৈ। অফিচ চুটি লৈ হ'লেও সি যাবই লাগিব।হ'ব মা মই ক'ম – আপুনি চিন্তা নকৰিব। ৰাখীয়ে কিন্তু বৰ বেছি এটা এইবোৰ বিশ্বাস নকৰে। তাতে তাই বিজ্ঞানৰ স্নাতক ছাত্ৰী। তথাপিও মাকে দিয়া উপদেশকে মানি শাহুৰেকৰ কথাত হয়ভৰ দিলে।

অ' সোন তই আহিলি, যা তই গা পা ধুই আজৰি হৈ ল। তোৰ লগত মোৰ অলপ দৰকাৰী কথা আছে। মাকৰ কথাৰ কোনো উত্তৰ নিদি ৰাজীৱে হাতত অনা টোপোলাতো মাকক দি গুছি গ'ল।
হেৰা বোৱাৰী, ইয়াৰ কি হ'ল হয়, একো যে নক'লে মুখেৰে। ইয়াৰ কিবা খং উঠি আছে নেকি? নাজানো নহয় মা, ভাগৰুৱা ছাগে। বুজিছা ৰাখী আজি কথাটো নুলিয়াওঁ। কালিলৈ ৰাতিপুৱাই ক'ম তাক নহ'লে।
মা কি হ'ল কচোন, কিনো দৰকাৰী কথা আছিল তোৰ? বুজিছ ৰাজীৱ কোনোৱাই আমাৰ ঘৰত কিবা যাদুমন্ত্ৰ কৰিছে। ন-কৈ বোৱাৰীজনী অহা দেখি ছাগে কোনোবাই হিংসাতে আমাৰ ঘৰখনৰ অমংগল কৰিবৰ বাবেই এইবোৰ কৰিছে যেন লাগিছে। আমাৰ পিচফালৰ নেমুজোপা আজি ছাগে চোন যা একেবাৰে মৰি যোৱাৰ নিচিনাকৈ জ্বলি গৈছে আৰু গছজোপাৰ তলৰ ঘাঁ বন বোৰো বেলেগ হৈ যোৱা যেন লাগিছে। বুজিছ সোন, মোৰ বৰ চিন্তা হৈছে, তই অহা মংগলবাৰে শিলিখাচুকলৈ যাবি আৰু ডিম্বেশ্বৰ বেজৰ ওচৰত চোৱাই আহিবি। মই মৰিলে একো নহয়, কিন্তু তই আৰু বোৱাৰী ..... এই বুলি কৈ মাখন খুৰীয়ে চকুপানীৰ নৈ বোৱাই দিলে।
ৰাজীৱে এইবাৰ ৰাখীক ক'লে, ৰাখী তুমি কিবা কবানেকি এই বিষয়ে। ৰাখী অলপ অচৰিত হ'ল ৰাজীৱৰ কথাত।

তাই কি ক'ম নক'ম ভাবি থাকোতেই ৰাজীৱে দুই জনীকে ক'বলৈ ধৰিলে চোৱা মা, চোৱা ৰাখী, আমি এতিয়া একবিংশ শতিকাত আছো। আজিৰ মানুহ গৈ মংগল গ্ৰহ পালেগৈ আৰু তোমালোক এতিয়াও ক'ৰবাতে আছা। মই ভবা নাছিলো যে, মোৰ মা আৰু পত্নীয়ে এনেবোৰ কথাত গুৰুত্ব দিব বুলি। মা, তুমিতো এগৰাকী শিক্ষয়ত্ৰী আৰু ৰাখী তুমি এগৰাকী স্নাতক, তাকো বিজ্ঞানৰ, ছিঃ তোমালোক এতিয়াও!!

মাকে কান্দি কান্দিয়েই ক্ষোভ প্ৰকাশ কৰি ক'লে, তই বেছি আধুনিক নেদেখুৱাবি, তই কি জান? যদি ইমানেই শিক্ষিত দেখুৱাইছ তেন্তে ক'চোন কথা নাই বতৰা নাই কি এজোপা

গছ কালিলৈকে ঠিক আছিল, এটা ৰাতিত এনেকুৱা একেবাৰে মাটিৰ ঘাঁ পৰ্যন্ত মৰহি যাব পাৰে নেকি? চা মই সম্পুৰ্ণ নিশ্চিত কৈ ক'ব পাৰো যে কোনোবাই কিবা কৰিছেই।
মনে মনে থাকা মা, সেইবোৰ একো নহয়, মই গছজোপাত পোক ধৰা দেখি অলপ পোক মৰা ঔষধ চটিয়াইছিলো কালি, পৰিমাণটো অলপ বেছি হ'ল ছাগে। সেইবাবে গছজোপা জ্বলি যোৱাৰ দৰে হ'ল আৰু তাতেই তোমালোক দুই শাহু-বোৱাৰী লগহে কথাটো কিবা কৰি পেলালা। তোমালোক মাইকীমানুহ বোৰ যে – নভবা নিচিন্তাকৈ কি কথা কি কৰি পেলোৱা। এইবোৰ একো বেজ-বেজালি নাই। অলপ আপডেট হোৱা মা আৰু ৰাখী তুমিও মাৰ কথা মানি এইবোৰকে চিন্তা কৰি দিনটো পাৰ কৰিলা ন। ৰাজীৱৰ কথাত দুইজনী নিমাত। ৰাখীয়ে কিবা কম ভাবিও একো নক'লে শাহুৰেকে দুখ পাব ভাবি। হ'ব হ'ব মা এতিয়া এইবোৰ পাহৰা আৰু ৰাখী যোৱা মোক খবলৈ কিবা এটা দিয়াগৈ বৰ ভোক লাগিছে। ৰাখী তলমূৰ কৰি হাঁহি হাঁহি ভিতৰলৈ গ'ল। মাকেও বৰ ডাঙৰ বোজা এটাৰ পৰা সকাহ পাই পুতেকক চাই অলপ হাঁহো নেহাঁহোকৈ মোৰ তহঁতলৈ বৰ চিন্তা অ' বুলি .....

"আৰএফআৰআই"ৰ হিৰো

নিলাঞ্জন গোঁহাই
বিশেষ অতিথি

যোৰহাটৰ "বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠান", চমুকৈ "আৰএফআৰআই" হৈছে কেন্দ্ৰীয় চৰকাৰৰ "ভাৰতীয় বন গৱেষণা তথা শিক্ষা পৰিষদ" অধীনস্থ এক প্ৰতিষ্ঠান। আৰম্ভণিতে মেঘালয়ৰ বৰ্ণিহাটত অৱস্থিত এই প্ৰতিষ্ঠান ১৯৯৮ চনৰ পৰা যোৰহাটৰ দাঁতিকাষৰীয়া অঞ্চল "চটাই"ত স্থাপিত হৈছিল। চটাইৰ এই ঠাইখিনি আছিল প্ৰকৃততে এখন ডাঠ হাবি। এই হাবিৰে এক বিশাল অংশৰ এলেকাত কাৰ্য্যালয় আৰু ষ্টাফ্ কোৱাৰ্টাৰ সমূহ নিৰ্মাণ কৰা হৈছিল যদিও কেম্পাচৰ ভিতৰৰ কিছু অংশ হাবি হৈয়ে ৰৈছিল।

অত্যন্ত সুন্দৰ ভাৱে তৈয়াৰী কাৰ্য্যালয়, লেবৰেটৰী, অডিটৰিয়াম, কমিউনিটি হল, ষ্টাফ্ কোৱাৰ্টাৰ, বিজ্ঞানী ছাত্ৰাৱাস আদিৰ লগতে কেম্পাচটোত আছিল বিভিন্ন প্ৰজাতিৰ নানান গছ-গছনি। তাৰোপৰি ৰাস্তাৰ আন ফালে থকা বটানিকেল গাৰ্ডেনখনৰো আছে এক নিজস্বতা। সমগ্ৰ ঠাইখনৰ সৌন্দৰ্য্যই যি কোনো লোকৰ মন একেদিনাই মোহি পেলাব পাৰে। যান্ত্ৰিক পৃথিৱীৰ এই ব্যতিক্ৰমী এলেকাৰ কথা লিখি বুজাব নোৱাৰি। ইয়াত কৰ্মৰত হোৱাৰ লগতে পোৱা যায় প্ৰকৃতিৰ সৈতে খাপ খাই চলি থকা এক অপূৰ্ব জীৱন। মানৱ নিৰ্মিত কৰ্মস্থান হ'লেও প্ৰকৃতিৰ অন্যান্য সৃষ্টি সমূহৰো বাসস্থান হৈ ৰৈছিল এই এলেকা। আজিও সাপ, গুঁই আদি প্ৰাণীয়ে ঠায়ে ঠায়ে বিচৰণ কৰি থকা দেখা যায়।

এইবাৰ আহিছো কাহিনীটোলৈ। ২০০৮ কি ২০০৯ চনৰ এদিনাখনৰ সন্ধিয়াৰ কথা। অ'ফিচৰ কামকাজৰ পিছত নিজৰ কোৱাৰ্টাৰত এজনে চাহৰ কাপত চুমুক দি বাহিৰলৈ চাই আছে। দুৱৈত হাবিৰ অন্ধকাৰ যদিও ঘৰৰ ভিতৰৰ পোহৰ খিড়িকীৰে বাহিৰলৈ ওলাই গৈছে। হঠাৎ যেন ঘৰটোৰ ঠিক তলেৰেই কিবা এটা চয়াময়াকৈ পাৰ হৈ গৈছে। কুকুৰ মেকুৰী বুলি ভাবি তেওঁ বিশেষ গুৰুত্ব নিদিলে।

আন এদিনা খন আন এজনে দেখক ঠিক তেনে এক দৃশ্য। কিন্তু কেম্পাচত চোন কাৰো কুকুৰ নাই আৰু মেকুৰীও চোন ইমান বৃহৎ আকাৰৰ হ'ব নোৱাৰে।

লাহে লাহে দুই এজনে দেখিবলৈ ল'লে কাষৰ হাবিৰ পৰা সন্ধ্যা ভ্ৰমন কৰিবলৈ অহা সেই প্ৰাণী আন কোনো নহয়, কেৱল এক নাহৰফুটুকী বাঘ। সি প্ৰায়ে বিজ্ঞানী ছাত্ৰাৱাসটোৰ পিছফালে থকা নলাটোৰ কাষৰ ফুটপাঠ সদৃশ পকা পথ চোৱাৰে গৈ মুখ্য গে'টৰ চিকিউৰিটী পোষ্ট পাই গৈ আৰু ৰাস্তা পাৰ হৈ বটানিকেল গাৰ্ডেনৰ কাষৰ হাবিলৈ যায়।

অৱশেষত বন বিভাগত খবৰো দিয়া হ'ল। কেম্পাচত বাঘ ওলোৱা কথাটো লাহে লাহে এক চিৰিয়াচ টপিক হ'বলৈ ল'লে। সকলোৱে ভয়ৰ মাজেৰে দিন কটাব লগাও হ'ল। অৱশ্যে শুনামতে বাঘে কাহিলি পুৱা আৰু সন্ধ্যা সময়তে দেখা দিয়ে। পিছে এদিন বটানিকেল গাৰ্ডেনৰ পকাৰ পুখুৰীটোত দিনৰ দহ বজাত পানী খাই আছিল। বাঘকলৈ দুই এখন মিটিং হ'ল। বন বিভাগৰ মানুহ আহি কেম্পাচৰ ভিতৰেৰে হাবি চোৱাত পিঞৰা যুক্ত ফাণ্ড পাতিলে। দুই চাৰি বছৰত মুঠ ৬টা নাহৰফুটুকী বাঘ বন্দী হ'ল। পিছে এটা বাঘে পিঞৰাৰ দুৰ্বল ৰড এডাল ভাঙি পলাবলৈ সক্ষম হৈছিল।

বাঘ ধৰা অভিযানৰ এই সমগ্ৰ ব্যৱস্থাত বিশেষ অৱদান আগবঢ়াইছিল এটি সৰু ক'লাবৰণৰ ছাগলীয়ে যাক টোপ হিচাপে ব্যৱহাৰ কৰা হৈছিল। কেম্পাচত বাঘ নোহোৱাৰ পিছত সি নিশ্চিন্তমনে গোটেই অ'ফিচটোতে বিচৰণ কৰি ফুৰিছিল আৰু সকলোৰে পৰা যথেষ্ট মৰম পাইছিল। সকলোৱে তাক কিবা কিবি খাবলৈ দিছিল।

এবাৰ ভাবি চাওকচোন মানুহ হৈয়ো সেই হিৰোজনৰ ঠাইত আপুনি কামটো কৰিব পাৰিলেহেতেননে? মইতো তাতেই চেটেপ ইণ্ডিয়া লিমিটেড হৈ গ'লো হয়। আমাৰ হিৰো কিন্তু এই দু:সাহিক অভিযান বিলাকৰ পিছত যথেষ্ট সাহসী হৈ গৈছিল। মানুহ ভয় নকৰা হিৰোই কুকুৰ দেখিলে পাত্তাই নিদিছিল আৰু খেদিহে পঠাব পাৰিছিল। শেহতীয়া ভাৱে হেনো বাঘ দেখিলেও হিৰোই খালি কেৰা চাৱনি এটাহে দিছিল। তাৰ এই অৱদানৰ বাবেই সি জনাজাত হৈছিল "আৰএফআৰআই"ৰ হিৰো হিচাপে।

ভূৱন কছাৰী, গৱেষণা সহায়ক
অপৰাজীতা গগৈ

আজিৰ সমাজত যোগৰ প্ৰাসংগিকতা

যোগৰ ওপৰত জ্ঞান আৰু ইয়াৰ উপকাৰিতাৰ মাপকাঠি বাঢ়ি যোৱাৰ লগে লগে এই বিষয়টোৰ ওপৰত মানুহে দিনক-দিনে গুৰুত্ব আৰোপ কৰা দেখা পোৱা গৈছে। আমি জানো যে ভাৰত হ'ল ঋষি মুনিৰ দেশ। এই ভাৰতবৰ্ষ হ'ল জ্ঞান পিপাষুৰ দেশ । 'ভা' শব্দে ভাৱনা, 'ৰত' শব্দে ৰতি, বৰ্ষ শব্দে বছৰ মানে যিখন দেশৰ লোকসকল বছৰ বছৰ ধৰি জ্ঞানৰ সাধনাত ৰতি হৈ থাকে। নহ'লেনো অনাদি কালৰে পৰা ঋষি মুনি সকলে হিমালয়ৰ ওপৰত বহি জ্ঞান সধনাৰ কাৰণে বছৰ বছৰ ধৰি তপস্যা কৰিছিল নে? সেই ঋষি মুনি সকলৰ দ্বাৰাই ভাৰতবৰ্ষত যোগৰ প্ৰচাৰ হৈছিল আৰু মানৱ শৰীৰৰ বিষয়ে জ্ঞানৰ প্ৰচাৰ হৈছিল।

পুৰণিকালত জনসাধাৰণে যোগৰ চৰ্চা কৰিছিল আৰু নিজকে সুস্থ ৰূপে ৰাখিছিল। কিন্তু সমাজ ব্যৱস্থাৰ পৰিৱৰ্তনৰ লগে লগে ইয়াৰ সাধনা ক্ৰমান্বয়ে কমিবলৈ ধৰিলে। বৰ্তমান পুনৰ জনগণ যোগ শাস্ত্ৰৰ প্ৰতি আকৰ্ষিত হোৱা দেখা গৈছে। ইয়াৰ উপকাৰিতাৰ ওপৰত মানুহৰ জ্ঞান বৃদ্ধি পাব ধৰিছে। ইয়াৰ মূল কাৰণ হ'ল পশ্চিমীয়া উন্নত দেশবোৰত ই লাভ কৰা সমাদৰ। যোৱা বছৰ ১১ ডিচেম্বৰ তাৰিখে United Nations General Assembly ত ভাৰতৰ এম্বেচেদৰ অশোক মুখার্জীয়ে প্ৰথম বাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় যোগদিৱস পতাৰ কথাটো উত্থাপন কৰে। এই প্ৰস্তাৱত 177 খন দেশৰ ভিতৰত 175 দেশে ইয়াৰ সমৰ্থন কৰে। সৌভাগ্যৰ কথা এই যে এই প্ৰস্তাৱটোত বৰ্তমান আমাৰ দেশৰ প্ৰধানমন্ত্রীয়ে আগভাগ লৈছিল। ইয়াৰ ফলশ্রুতি হিচাপে 21 জুন তাৰিখটো বিশ্ব যোগ দিৱস হিচাপে পালন কৰিবলৈ লোৱা হৈছে।

ভাৰতবৰ্ষত জন্ম পোৱা যোগশাস্ত্ৰ সমগ্ৰ বিশ্বই পালন কৰিব, আমাৰ কাৰণে তাতোতকৈ গৌৰৱৰ কথা কি হ'ব পাৰে।

সঁচা কথা, এতিয়া আমাৰ সমাজত দিনক দিনে বৃদ্ধি পোৱা অপকৰ্মবোৰ ৰোধ কৰিবৰ বাবে যোগ সাধনাৰ অতীৱ প্ৰয়োজোন। কাৰণ যোগ হ'ল 'চিত্ত বৃত্তি নিৰোধ:'। অর্থাৎ যোগ চিত্তৰ বৃত্তিবোৰৰ নিৰোধক। যোগে শৰীৰ আৰু মন দুয়োটাৰে ওপৰত পৰস্পৰ পৰিপূৰক সংস্কাৰ দি অতি চঞ্চল মনক একাগ্ৰ তথা ব্যাধিগ্রস্ত শৰীৰক ব্যাধিমুক্ত কৰি তোলে। আমাৰ সকলোৱে জ্ঞাত যে শৰীৰ ভালে থকাৰ ওপৰত মনৰ বহু প্ৰভাৱ পৰে। আমাৰ মনত যোগ শব্দটো শুনাৰ লগে লগে হিমালয়ৰ ওপৰত কোনো এক গুহাত বছৰ বছৰ ধৰি তপস্যা কৰি থকা যোগীৰ চিত্ৰ মনলৈ ভাহি আহে। যোগ শাস্ত্ৰৰ বাস্তৱিক জ্ঞান নথকাৰ কাৰণে এনে হয়। অৱশ্যে আজি কালিৰ ধাৰণাটো অলপ বেলেগ হৈছে। কাৰণ স্বামী ৰাম দেৱে তেখেতৰ যৌগিক ক্রিয়া বিশ্বৰ সকলো মানুহৰ মাজত টেলিভিশ্বনৰ আস্থা চেনেলৰ মাধ্যমেৰে প্ৰচাৰ কৰিছে। সেয়ে হয়টো কিছুলোকৰ মুখত শুনা যায় যে মই আস্থা কৰো বা মই ৰামদেৱ কৰো। যোগ শব্দৰ ঠাইত আস্থা নাম ললে। ইও হয়টো মানুহৰ জ্ঞানৰ অভাৱৰ কাৰণ। সকলো মানুহে যোগৰ ওপৰত বিস্তৃত জ্ঞান এতিয়াও লাভ কৰা নাই। যিকোনো বিষয়ৰ ওপৰত মতামত ব্যক্ত কৰাৰ পূৰ্বে সেই বিষয় বস্তুৰ ওপৰত যথেষ্ট অধ্যয়নৰ প্ৰয়োজোন।

যোগ সুখী আৰু সমৃদ্ধ জীৱনৰ মাপ-কাঠি। 'যুজ' ধাতুৰ পৰাই যোগ শব্দৰ উৎপত্তি, যুজ মানে সংযোগ ঘটোৱা বা যুক্ত কৰা। গীতাত কৈছে 'সমত্বং যোগ উচ্যতে'। যিকোনো বস্তু সমভাৱে চোৱা আৰু অনুভৱৰ দ্বাৰা অহা শক্তিক বিলীন কৰাই প্ৰকৃত অৰ্থত যোগ। আমি জানো যে যুক্ত বা সংযোগ কৰিবলৈ হ'লে দুটা সত্বাৰ প্ৰয়োজন। যদি এটি সত্বা মানৱ হয় তেন্তে দ্বিতীয়টি কি হ'ব পাৰে সততে অনুমান কৰিব পৰা যায়। সেই দ্বিতীয় সত্বা, যাক যিমতে যিয়ে যি নামেৰে স্মৰণ কৰে। শৰীৰৰ কাৰ্য্যকলাপবোৰ নিয়ন্ত্ৰণ কৰা শক্তি আৰু বিশ্বৰ কাৰ্য্যকলাপবোৰ নিয়ন্ত্ৰণ কৰা শক্তিৰ লগত যোগযুক্ত হোৱাটো যোগৰ লক্ষ্য। এই লক্ষ্যত উপনীত হ'বৰ বাবে শৰীৰ অতি বিশুদ্ধ অৱস্থালৈ অনাটো নিতান্তই প্ৰয়োজন। সেয়ে শৰীৰ বিশুদ্ধ কৰাৰ পদ্ধতিটো যোগত গুৰুত্ব আৰোপ কৰা হৈছে। যোগৰ স্ৰষ্টা মহামুনি পতঞ্জলীয়ে তেখেতৰ যোগসাস্ত্ৰত অষ্টাংগ যোগৰ বিষয়ে লিখি থৈ গৈছে। এই অষ্টাংগ যোগ কেইটি হ'ল ইয়ম, নিয়ম, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধি। যেনেকৈ কিছুমান সূত্ৰৰ দ্বাৰা আমি বিজ্ঞানৰ অধ্যয়ন কৰোঁ আৰু সেই সূত্ৰ মানি নচলোঁ তেন্তে আমি জানো পৰীক্ষাত পাচ কৰিম? ঠিক তেনেকৈ এই আঠোটা সূত্ৰ যোগত যদি পালন কৰা নাযায় আমি যোগৰ সঠিক উপলব্ধি অনুভৱ কৰিব নোৱাৰিম।

ইয়মৰ পাঁচটা ভাগ : অহিংসা, সত্য, অস্তেয়, ব্ৰহ্মচাৰ্য্য আৰু অপৰিগ্ৰহ। নিয়ম হ'ল যোগৰ দ্বিতীয় সোপান। ই পাঁচ প্ৰকাৰৰ, শৌচ, সন্তোষ, তপ, স্বাধ্যায় আৰু ইশ্বৰ প্ৰণিধান।

আসন হ'ল তৃতীয় সোপান। যিকোনো কাম কৰিবৰ সময়ত যি ধৰণেৰে স্থিতি লোৱা হয়, য'ত কোনো টান বা কষ্ট অনুভৱ নহয়, শৰীৰ সম্পুৰ্ণ ঢিলা থাকে তেনে স্থিতিয়ে আসন। আসনত যোগ শব্দ যোগ কৰিলে হয় যোগাসন।

চতুৰ্থ সোপান হ'ল প্ৰাণায়াম। শৰীৰটোৰ ভিতৰত থকা সত্বাটোক বচাবৰ বাবে আমি যি উশাহ-নিশাহ লৈ থাকো তাক যদি প্ৰাণ বুলি ধৰা হয় সেই প্ৰাণক আৰাম দিবৰ বাবে বা শক্তি দিবৰ বাবে যি প্ৰণালী তাক প্ৰাণায়াম বুলি ক'ব পাৰি। ইয়াক গভীৰ ভাৱে বিশ্লেষণ কৰিলে ক'ব পাৰি চঞ্চল চিত্তক একাগ্ৰতাৰ বাবে তথা স্বয়ংপ্ৰকাশী চিত্তৰ পৰা মায়াৰ আৱৰণ আতৰাবৰ বাবে যি অভ্যাস তাক প্ৰাণায়াম বুলি ক'ব পাৰি।

পঞ্চম সোপান হ'ল প্ৰত্যাহাৰ। এইদৰে সকলো ভৌতিক বন্ধনৰ পৰা মুক্ত হোৱাৰ পিছত ধাৰণা আৰু ধ্যানৰ অভ্যাস কৰি সমাধি প্ৰাপ্ত হ'ব পাৰে।

এইখিনিতে আমাৰ মনলে এটা প্ৰশ্ন আহিব পাৰে যদি যোগ অভ্যাসৰ দ্বাৰা ৰোগ নিৰাময় কৰিব পাৰি তেন্তে ইয়াক ৰোগৰ উপাচাৰ পদ্ধতি হিচাপে ব্যৱহাৰ কৰিব পাৰি নেকি? প্ৰকৃতপক্ষে যোগ কোনো উপাচাৰ পদ্ধতি নহয় বৰং শৰীৰক যাতে কোনো ৰোগে আক্ৰমণ কৰিব নোৱাৰে এনে অৱস্থা শৰীৰত নিৰ্মাণ কৰাৰ ব্যবস্থাহে যোগশাস্ত্ৰত নিহিত হৈ আছে।





উন্নয়নশীল দেশত মানৱ সমম্পদৰ অপচয়: এক চমু আলোকপাত

অসীম চেতিয়া

গ্রন্থাগাৰ তথ্য সহায়ক

সাঁথৰ আৰু কাব্যিকতাৰ পাকলগা জেলেপীয়ে বিৰক্ত দিয়া পাঠকসকললৈ মোৰ সৰল স্বীকাৰোক্তি – মই অদৃষ্টবাদী নহওঁ আৰু এয়া কোনো জ্যোতিষ চর্চাৰ যো-জাও নহয়। প্রবন্ধৰ সমূহীয়া থূপৰ মাজত আপোনালোকক আকর্ষিত কৰিবলৈ এয়া মোৰ নির্দোষ প্রচেষ্টা, পোনপটীয়া অর্থত বিজ্ঞাপন।



বর্তমান উঠি অহা প্রজন্মৰ (বিশেষকৈ উন্নয়নশীল ৰাষ্ট্রসমূহত) এক বিশেষ সমস্যা হৈছে আকাংক্ষিত লক্ষ্যত উপনীত হোৱাত ব্যর্থতা, পছন্দমতে জীৱন গঢ়াত আহিপৰা বাধা আৰু পৰিস্থিতিৰ তাড়নাত বাধ্য হৈ এনে কামত আত্মনিয়োগ কৰা, যিটো তেওঁলোকৰ আকাংক্ষিত নহয়। ইয়াত কামবোৰ নঞর্থক দৃষ্টিভংগীৰে বিচাৰ কৰা হোৱা নাই কিন্তু সকলো কাম সকলোৰে পছন্দৰ নহয় আৰু পৰিস্থিতিয়ে তেওঁলোকক সেইধৰণৰ কামেই কৰিবলৈ বাধ্য কৰে। ইয়াৰ লগে লগে এচামে হেনো ভাগ্যৰ জোৰত নিঃকিনৰ পৰা কোটিপতি হয়গৈ আৰু বাকীসকল ভাগ্যদেৱীৰ বঞ্চিতৰ মাজত চলে দেৱীৰ কৃপালাভৰ কল্পনা, পূজা-অর্চনা, ভগৱান বিশ্বাস (য'ত মন্দিৰত এটকাৰ পৰা দহটকীয়া দলিয়াই হাজাৰ লাখটকীয়া মূল্যৰ প্রার্থনা কৰা হয়)। মোৰ বিবেক আৰু বিষয় অর্থনীতিৰ জ্ঞানেৰে ক'বলৈ গ'লে এয়া কেৱল সময় আৰু সম্পদৰ অপব্যয়, এখন লাভহীন জুৱা, য'ত আপোনাৰ পকেটৰ পৰা পূজাৰীৰ জোলোঙালৈ সম্পদৰ স্থানান্তৰ হয় আৰু আপোনাৰ আত্মবিশ্বাস আৰু মানসিক সবলতা ধর্মভীৰুতালৈ ধীৰে ধীৰে পর্যবসিত হয়।

প্রসংগৰ পৰা কিছুদূৰ ফালৰি কাটি আহিলোঁ। এইবাৰ মনলৈ আহিছে "Rock On" চিনেমাখনলৈ। তাত এটা মূল চৰিত্র "আদিত্য" (ফাৰহান আখতাৰ)ক আপোনালকৰ মনত আছেনে? তেওঁ আৰু তেওঁৰ বিশেষ বন্ধুকেইজনৰ আন্তৰিক ইচ্ছা আছিল এটা বেণ্ড (Band) খুলি গান গাই ফুৰা। কিন্তু পৰিস্থিতিৰ তাড়নাত আদিত্য হ'লগৈ এটা কোম্পানীৰ উচ্চপদস্থ মেনেজাৰ। ঠিক তেনেদৰে মনলে আহিছে "3 Idiots" চিনেমাখন। তাত থকা এটা চৰিত্র "ফাৰহান"কো আপোনালোকে পাহৰা নাই ছাগে। ফাৰহানে শৈশৱৰ পৰাই ফট'গ্রাফী ভাল পাইছিল আৰু সৰুৰে পৰাই পৃথিৱীৰ বিখ্যাত Wildlife Photographer "Andre Istvan"ৰ লগত কাম কৰাৰ সপোন দেখিছিল কিন্তু ঘৰুৱা পৰিৱেশৰ দাবীত মূৰকত ইঞ্জিনিয়াৰিং পঢ়িবলৈ গৈ বাৰে বাৰে বিফলতাৰ মুখ দেখিছিল। এই দুয়োটা চৰিত্রতে শিল্পীয়ে অতি নিখুঁতকৈ ফুটাই তুলিছে পছন্দৰ কাম কৰিব নোপোৱাৰ মানসিক অন্তর্দ্বন্দ্ব। এয়া আজি অধিকাংশ যুৱ ভাৰতীয়ৰে মানসিক অৱস্থাৰ প্রতিনিধিত্ব।

আমাৰ দৰে দেশৰ মানৱ সম্পদ অপচয়ত আমাৰ অভিভাৱকসকলৰ ভূমিকাকো নুই কৰিব নোৱাৰি। আপোনালোকে "Tare Zameen Par" চিনেমাখন চালেই এই বিষয়ে সবিশেষ বুজিব পাৰিব। আমাৰ দেশত সন্তান জন্ম হোৱাৰ পাছতেই মাক-দেউতাকে সন্তানক কেৱল ডাক্টৰ ইঞ্জিনিয়াৰ হোৱাৰ সপোন দেখে আৰু যেতিয়া সেই সপোন বাস্তৱত ৰূপায়িত নহয় তেতিয়া তেওঁলোক হতাশাগ্ৰস্ততাত ভোগে।

আমাৰ দেশত প্ৰকৃতাৰ্থত কিমান শতাংশ মানৱ সম্পদ পচন্দমতে গঢ় লৈ উঠে। কণ কণ ল'ৰা ছোৱালীক জোৰকৈ (প্ৰতিভা নাথাকিলেও) বিভিন্ন পাঠ্যসূচী, সুকুমাৰ কলা আদিত অভিভাৱকে নিজৰ খেয়াল খুচিত শিকাবলৈ আৰম্ভ কৰাৰ পৰা জন্মতেই আমাৰ ল'ৰা ডাক্টৰ, ইঞ্জিনিয়াৰ হ'ব বুলি কোৱাসকলৈকে; মানুহ গঢ়াৰ ঠিকাদাৰ, প্ৰতিভাৰ স্বয়ম্ভূ কাৰিকৰৰ আমাৰ ইয়াত অভাৱ নাই। ফলস্বৰূপে বহু প্ৰতিভা মৰহি যায়, বহু পচন্দ নষ্ট হয়, জাতিটোৰ মানসিক বিকাশত বাধা আহে। আকৌ অতি দৃঢ়তাৰে নিজৰ পচন্দৰ যোগ্যতা আহৰণ কৰা সকলক মানসিকভাৱে বলি দিবলৈ দুৰ্নীতি, স্বজনপ্ৰীতি, অনিয়ম, দৰিদ্ৰতা, নিবনুৱা সমস্যা, অৰ্থনৈতিক কাঠামোৰ, অভাৱ আদি আছেই। এজন শিক্ষাৰ্থীয়ে যদি কিছু অগতানুগতিক ধৰণে, অন্তৰৰ তাড়নাৰে জীৱনটো গঢ় দিব বিচাৰে, আমাৰ দৰে দেশত তাক বিভিন্ন উপায়েৰে নিৰুৎসাহিত কৰা হয়। নিজৰ সন্তানে অকণমান বেছি সময় খেলা ধূলা কৰটো অপৰাধ, কিয়নো পঢ়াত মন নবহিব; অথচ অলিম্পিকত ভাৰতৰ পদকৰ সংখ্যা কম হলে আমি সমালোচনাত মুখৰ! নাটক -অভিনয়ত উৎসাহীজনক গৰিহণা দিয়া হয় মূল্যৱান জীৱনটো ধংস (?) কৰাৰ বাবে; কিন্তু বলিউডৰ নায়ক-নায়িকাৰ বাবে আমি প্ৰাণ পৰ্য্যন্ত দিব পাৰোঁ। হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভাল ফলাফল দেখুৱালে বিজ্ঞানেই পঢ়িব লাগিব, কিয়নো কলা বা বাণিজ্য দ্বিতীয় শ্ৰেণীৰ নাগৰিকৰ সম্পদ! এজন শিক্ষাৰ্থীয়ে যদি প্ৰণালীবদ্ধ পৰম্পৰাগত শিক্ষাৰ প্ৰতি বেছি আগ্ৰহী নহৈ ছবি আঁকি বা স্থাপত্য-ভাস্কৰ্য্য কলাত মনোনিৱেশ কৰে তেতিয়া তেওঁ সমাজৰ পৰা বলিয়া আখ্যা পোৱাৰ নৱৈ শতাংশ সম্ভাৱনা আছে। গতিকে আজিও নৱপ্ৰজন্মৰ পছন্দত গতিৰোধক (Speed Breaker) আছে। তেওঁলোকৰ পছন্দত অন্তৰৰ তাগিদাতকৈ সামাজিক ভীতিহে অধিক পৰিস্ফুট। এনে পৰিস্থিতিত ভাল খেলুৱৈ, কলা সাধক, শিল্পী-সাহিত্যক, বৈজ্ঞানিক, গায়ক আদিৰ সৃষ্টি বহুলাংশে নিৰ্ভৰ কৰে পৰিস্থিতিৰ ওপৰত।



তেওঁলোক বহু সময়ত সমাজৰ "By chance product but a not a by choice product". ব্যতিক্রম নিশ্চয় আছে, কিন্তু অধিকাংশতে আমাৰ জীৱনবোৰ যেন জুখি-মাখি থোৱা ফ্রেমত বন্দী, উৰিবৰ বাবে আমাৰ ওপৰত এখন সুনীল আকাশ, কিন্তু সমাজৰ হাঁতোৰাত, পৰিয়ালৰ তথাকথিত আদর্শ (?)ত, পৰিস্থিতিৰ পাকচক্রত আমিবোৰ একো একোজন বাওনা, চন্দ্র আমাৰ বাবে এআকাশ স্বপ্ন।

যুৱপ্রজন্মৰ মাজত কর্মসংস্থান লাভৰ সহজ সূত্র "Luck, Labour, chance". পচন্দমতে নিজকে গঢ়ি লোৱাত অব্যৱসায় বা শ্রম আৰু সুযোগৰ ভূমিকা সহজে অনুমেয়। কিন্তু ভাগ্য? ভাগ্য কিয় লাগে? কিন্তু আমাৰ পছন্দৰ এটা পদৰ বিপৰীতে সহশ্রাধিক যোগ্য প্রার্থী, সকলোতে টেবুলৰ তলৰ নীতি, নির্লজ্জ স্বজনপ্রীতি আৰু বহুত কিবা কিবি। এটা মিঠাই এশজন ভোকাতুৰৰ মাজত দলিয়াই শাসনতন্ত্রই প্রশাসনীয় ব্যৱস্থাই আমাৰ ভাগ্যৰ (?) পৰীক্ষা কৰে। আমি গৰজি উঠাৰ সলনি ভাগ্যদেৱীৰ আৰাধনা কৰোঁ। আমাক একগোট হোৱাৰ পৰা অতি কৌশলেৰে আতৰাই ৰখা হয় বিভিন্ন সংৰক্ষণৰ ব্যৱস্থা কৰি; কর্মৰ অধিকাৰ (Right to work), পছন্দৰ অধিকাৰ (Right to choice) আমাৰ প্রাপ্য; তাৰ পৰা বঞ্চিত ৰাখিবলৈ বিভিন্ন ব্যৱস্থা অতি চতুৰ ভাৱে সংবিধানৰ গণ্ডীতেই ৰখা হৈছে। কিয় পছন্দৰ সংস্থাপনৰ সংখ্যা কম বুলি সর্বস্তৰৰ প্রতিবাদ উঠাৰ সলনি দাবী উত্থাপিত হয়। আমাক কিয় "আৰু অনুন্নত" আখ্যা দিয়া হোৱা নাই? আমি "অনুন্নত" আমাক পুতৌ কৰক সেই দুর্বল আৰু কাপুৰুষৰ চিন্তা ধাৰা আমাৰ যুৱসমাজৰ? অনুভৱ হয়। ভাৰতৰ যুৱসমাজ মানসিক ভাৱে বহু দুর্বল হৈ পৰিছে অতিপৰিকল্পিত সুচতুৰ পৰিকল্পনাত। এই ক্ষেত্রত ষড়যন্ত্র অতি সবল। অপ্রাসংগিক হেতু বাহুল্য বর্জন কৰিলোঁ।

আমাক স্বাধীনতা লাগে। পছন্দৰ স্বাধীনতা, পখীৰ দৰে এআকাশ স্বাধীনতা, বাক্কোন ভঙাৰ এপৃথিৱী ক্ষমতা। দেশত আজি কেৱল দৃশ্যমান সমস্যাই নহয়, অদৃশ্যমান মনসিক সমস্যাও আছে। শুদ্ধ পথ আমাৰ কাম্য, আকাংক্ষিত লক্ষ্য আমাৰ পছন্দ। তাৰ বাবে যুৱসমাজে ভাঙি পেলাওক সকলো বাক্কোন। যদি ভুল হয় ভাঙিব লাগিব পৰিয়াল সমাজ আৰু দেশৰ বাক্কোন। নিয়ম ভঙাৰো নিয়ম আছে। সাহসৰ নিজা পৰিভাষা আছে, ভয়ৰ সিপাৰে বিজয় আছে। এখন ভীতিমুক্ত দুশ্চিন্তামুক্ত ভাৰতবর্ষ আমাৰ সপোন হ'ব নোৱাৰেনে? য'ত আমি সকলোৱে সমস্বৰে কব পাৰোঁ– All is Well.

সপোন

ক'ম ক'ম বুলি
বুকুত খুন্দিয়াই থকা শব্দবোৰ ;
লিখিম লিখিম বুলি
ভাবি থকা অনন্য কবিতাবোৰ ;
আৰু আঁকিম আঁকিম বুলি
সাঁচি ৰখা হেঁপাহৰ ছবিবোৰ ;

কৈয়েইতো পেলাইছিলোঁ
খুন্দিয়াই থকা শব্দবোৰ,
লিখিয়েইতো পেলাইছিলোঁ
সেই আৱেগৰ কবিতাবোৰ,
আৰু আঁকিয়েইতো পেলাইছিলোঁ
হেঁপাহৰ ৰঙীন ছবিবোৰ,
কিন্তু ক'তা ?
আজি
শব্দবোৰ আধাফুটা হৈয়েই ৰ'ল
কবিতাবোৰ অবুজ সাঁথৰ হৈ ৰ'ল
আৰু -- ছবিবোৰ ?
ছবিবোৰ ধূসৰিত হৈ ৰ'ল
ৰঙবোৰও নাইকিয়া হ'ল
সপোনবোৰচোন সপোন হৈয়ে ৰ'ল ।

হেৰুৱা আশাৰ পমখেদি

মাজনিশা কুলিৰ কৰুণ বিননিত
সাৰ পাই উঠে মোৰ ভগ্ন হৃদয়ৰ বেদনা
বুকুত উপচি উঠে অন্তহীন কান্দোনৰ প্রতিধ্বনি
পাইয়ো হেৰুৱাৰ দুখত মোৰ জীৱন জুৰুলা
বিষন্নতাৰ গভীৰতাত প্রক্ষেপিত স্মৃতি
মুহূর্ত বোৰৰ প্রতিচ্ছবি।

নেমাতিবি,
নেমাতিবি হেৰ' কুলি তোৰ প্রিয়জনক
বিচাৰি চলাথ কৰি ঘোৰ অমানিশা !
আৰু নবঢ়াবি দুর্বহতাৰ গভীৰতা !!
এনেকৈয়ে কিমান দিন?
কিমান দিন আৰু ৰাতি
বিৰহ বিষন্ন দুখৰ নদীত উটুৱাম
ৰংহীন বসন্তৰ স্মৃতিৰ পাপৰি –
হেৰুৱা আশাৰ পম খেদি খেদি।

অৰবিন্দ ডেকা
গৱেষণা সহায়ক

দিপান্বিতা ডেকা
উচ্চ শ্রেণী লিপিক

মহাবিজ্ঞান

মহাবিজ্ঞান
মহাজাগতিক
মহা সংঘর্ষণ
মহা বিশ্বৰ স্রষ্টা মই
মই মহাবিজ্ঞান
মইয়েই আইনষ্টাইন
মইয়েই নিউটন
মইয়েই সৃষ্টিৰ মহা ৰসায়ন
মইয়েই বিন্দু মহা সিন্ধু
প্রাণ প্রতিষ্ঠাৰ
আমোঘ বীর্য
মহা বিশ্বৰ মহান ৰহস্য
মইয়েই উশাহ মইয়েই বতাহ
মইয়েই বিশাল বিশ্ব মহাকাশ
মইয়েই চন্দ্র মইয়েই সূর্য
বিশ্ব জগতৰ প্রাণ প্রাচুর্য
মইয়েই তৰা মইয়েই মহাসাগৰ
উর্ম্মীয়ো মইয়েই, মইয়েই উল্কাপাত
পৃথিৱীৰ গর্ভৰ মইয়েই মহাকাল
সৃষ্টিত মই ধ্বংসত মই
মইয়েই মহাকাশ যান
মহাবিশ্বৰ প্রাণ
মইয়েই দিন মইয়েই ৰাতি
মইয়েই সময়
সদাব্যস্ত মই
নাই মোৰ যতি
মইয়েই মহাবিজ্ঞান
মইয়েই ভাঙো
ৰহস্যৰ ধ্যান

নিবেদিতা বৰুৱা দত্ত
গৱেষণা সহায়ক

প্রণিপাত

শাৰদীয় এটি পৱিত্র দিনত
শেৱালী ফুলৰ আমোল-মোলত,
জন্ম তুমি মহা মানৱৰ
ক্ষুদ্র পৱিয়ালৰ সেই ৰামেশ্বৰমৰ।

বজা নাছিল শংখ আৰু নাছিল গদাপদ্ম
দিনমণি জন্ম তোমাৰ,
সাধাৰণ মাছতীয়াৰ অসাধাৰণ পুত্র।
ৰজাৰ পো নহয় ৰজা
আমোলাৰ পোও নহয় সেই
তাক তুমি কৰিলা প্রমাণ,
কষ্ট ধৈর্য একাগ্রতাৰে
জিনিলা সপোন তুমি মনোনয়নৰ!!
তুমি প্রাজ্ঞ, তুমি মনীষী
সমাজ সেৱাই আছিল তোমাৰ বৃত্তি
নাই কোনো ঋদ্ধি,
থাকিলা তুমি আজীৱন ব্রতী।।
স্রজিলা পৃথিৱী আৰু ডেউকা অগ্নিৰ
কৰিলা দেশক তুমি অসাধাৰণ দান,
কোনো নাছিল পৰ সকলোৱেই তোমাৰ ঘৰ
মিত্র তুমি শিশু সকলৰ
নাছিল দৃষ্টিত তোমাৰ কোনো সৰু বৰ।।
আজীৱন ভজিলা
বুলনি ঘৰ গঢ়িলা,
বোৱালা প্রজ্ঞাৰ সুধা
গোৱালা একতাৰ গান,
মনস্পর্শা ব্যক্তিত্ব শিক্ষক ৰূপী তুমি
ব্যাপিলা ভাৰত মহান।
ক্লান্ত মুখশ্রী পঞ্চভূত শৰীৰ
ভাগিৰথী তুমি যেন ভূৱন বাসীৰ,
জনাওঁ তোমাক সহস্র প্রণাম
বিশ্বজয়ী তুমি আব্দুল কালাম।।

নয়নমণি শইকীয়া
জে. আৰ. এফ

.....শিক্ষাগুৰু ...

সময়ৰ ধাতুৰে গঢ়িত
তেওঁলোকৰ জীৱনৰ প্রতিটোপাল
মনৰ বাকৰিত কেতিয়াও ওলমি নাথাকে
হতাশাৰ বীৰ্জ
তেওঁলোকে গান গায়....
সাধনাৰ গান,
সমাজৰ গান,
তেওঁলোকে সিঁচি দিয়া জ্ঞানৰ গলিৰে
অগ্রসৰ হয় বহুতো নতুন স্বপ্ন
তেওঁলোক মহান,
তেওঁলোক সমাজপ্রেমী,
তেওঁলোকৰ শিক্ষাৰ গৱেষণাত সৃষ্টি হয়
অনেক নতুন প্রজন্মৰ বীৰ্জ...
জীৱনক বিচাৰি ফুৰা এজাক উদ্দামী প্রজন্মই
তেওঁলোকৰ জ্ঞানৰ ছাঁত জিৰাই আজীৱন....
তেওঁলোক দেশপ্রেমী,
তেওঁলোক ত্যাগী,
তেওঁলোকে বিচাৰে প্রগতিৰ নতুন স্বপ্ন
বোমা-বাৰুদৰ ধোঁৱা তেওঁলোকে চাব নোখোজে
সহিব নোৱাৰে আধাপোৰা মঙহ আৰু তেজৰ গোন্ধ....
হিংসা, সন্ত্রাসৰ সংজ্ঞা নিবিচাৰে তেওঁলোকে...
তেওঁলোকে সিঁচি দিয়া জ্ঞানৰ বীৰ্জ
অংকুৰিত হয় সমাজৰ প্রতিটো
আলিয়ে-গলিয়েদি....
অনেকজনে জ্ঞানৰ মুকুতা বিচাৰে
তেওঁলোকে বোৱাঁই দিয়া জ্ঞানৰ নদীত....
হে, মহান শিক্ষাগুৰুসকল
আপোনালোক ধন্য
আপোনালোকৰ আদর্শই
ধুই নিকা কৰক
সমাজক, দেশক.....
আৰু নৱ-সৃষ্টিৰে নৱ-প্রজন্মাক
আলোকিত কৰক সঠিক পথৰ সন্ধান.....
আপোনালোক আৰু যেন অধিক
শক্তিশালী হৈ...
প্রগতিৰ পথত দেশক আগুৱাই নিব পাৰে
তাৰে কামনাৰে
জ্ঞানৰ পোহৰ বিলাই দিয়ক চৌদিশে আজীৱন....।।

পুতুল বুঢ়াগোহাঁই
এফ.এ.

বর্ষাৰণ্য

এটা সেউজীয়া সপোনৰ প'ম খেদি
ধৰিত্রীৰ পূজাত – হাতে হাত ধৰি
ব'লা – সেউজীয়াৰ দেশলৈ

(২)
আবেলি বহুত হ'ল
গান গাই থকা ছোৱালীজনী নিয়ৰ হ'ল,
আইৰ নিচুকনি গীতৰ পুৱাৰ বেলি হ'ল,
জোনাকৰ বৰষুণত গা-ধুৱা ছোৱালীজনী
ক'তেনো হেৰাল।

(৩)
দুৱাৰখন খুলি দিয়া
সোমাই আহক এমুঠি পোহৰ
যোৱা নিশাৰ বাঁহীৰ সুৰ
বাজক হৃদয়ে হৃদয়ে

বিনোদ কুমাৰ সোনোৱাল
ব্যক্তিগত সচিব

বর্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ চৌহদত বিচৰণ কৰা কিছুমান পক্ষী

আলোকচিত্ৰ — প্ৰীতিমণি দাস বৰা
গ্ৰন্থাগাৰ তথ্য সহায়ক

মইনা চৰাই *Gracula religiosa intermedia*

মৌপিয়া চৰাই *Aethopyga siparaja scheriae*

মুগাৰঙী বাঘচৰাই *Lanius cristatus*

নীলবুকুৰা হেঁটুলুকা *Megalaima asiatica asiatica*

কাঠ শালিকা *Sturnus malabaricus blythii*

গলমণিকা ভাটো *Psittacula krameri*

বগাপিঠীয়া টুনি *Lonchura striata*

চেকচেকী *Dendrocitta vagabunda*